# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 02-06-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
-------------------

১। ৰাজ্যৰ কেইবাখনো জিলাৰ বান পৰিস্থিতি অপৰিৱৰ্তিত। লখিমপুৰ জিলাত মুখ্যমন্ত্ৰীৰ বান পৰিস্থিতি পৰিদৰ্শন।

২। ব্ৰহ্মপুত্ৰৰ পানী বিপদ সীমাৰ ওপৰেৰে বৈ থকাৰ বাবে গুৱাহাটী-উত্তৰ গুৱাহাটীৰ মাজৰ ফেৰী সেৱা আজিৰে পৰা অনিৰ্দিষ্ট কাললৈ বন্ধ।

৩। অসম আৰু মেঘালয়ৰ মাজৰ সীমা বিবাদ নিষ্পত্তিৰ বাবে কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত ড০ হিমন্ত বিশ্ব শৰ্মা আৰু কনৰাড চাংমাৰ মাজত আলোচনা

৪। শক্তিপীঠ কামাখ্যা ধামত অহা ২২ জুনৰ পৰা অম্বুবাচী মহা যোগ। *আৰু*

৫। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত কাইলৈ আই পি এলৰ ফাইনেলত পাঞ্জাব কিংছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooo

বিগত কেইবাদিনো হৈ থকা ধাৰাষাৰ বৰষুণৰ পাছত ৰাজ্যৰ বিভিন্ন প্ৰান্তত বতৰ কিছু ফৰকাল হৈছে যদিও কেইবাখনো জিলাৰ বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। বছৰৰ প্ৰথমটো বানত ৰাজ্যৰ ১৭ খন জিলাৰ ৩ লাখ ৬৪ হাজাৰৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। প্ৰশাসনে স্থাপন কৰা ৫২ টা আশ্ৰয় শিবিৰত ১০ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। ৰাজ্যখনত এই বানত ১২ জন লোকে প্ৰাণ হেৰুৱাইছে। যোৱা ২৪ ঘণ্টাত বৰাক উপত্যকাৰ শ্ৰীভূমি আৰু কাছাৰ জিলাত এজনকৈ লোকৰ মৃত্যু হয়। এছ ডি আৰ এফে ধেমাজি আৰু হাইলাকান্দি জিলাৰ লগতে আন কেইবাখনো জিলাত আবদ্ধ লোকৰ উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। যোৱা ২৪ ঘণ্টাত ডিমা হাচাও আৰু শ্ৰীভূমি জিলাত ভূমিস্খলনৰ ফলত বিস্তৰ ক্ষয়ক্ষতি হৈছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি লখিমপুৰ জিলাৰ বান পৰিস্থিতিৰ বুজ লয়। আজি মুখ্যমন্ত্ৰীয়ে জিলাখনৰ পাচনৈ, বৰবিল আৰু নাওবৈচা সমষ্টিৰ আমতলা অঞ্চল পৰিদৰ্শন কৰি বানত ক্ষতিগ্ৰস্ত লোকসকলৰ সৈতে মত বিনিময় কৰে। তেওঁ কয়, যে এই স্পৰ্শকাতৰ সময়ত চৰকাৰে ক্ষতিগ্ৰস্তসকলক সকলো প্ৰকাৰে সকাহ আৰু সাহায্য প্ৰদানৰ ব্যৱস্থা কৰিব।

**(বাইট ঃ মুখ্যমন্ত্ৰী)**

মুখ্যমন্ত্ৰীয়ে কয়, যে প্ৰশাসনে জনসাধাৰণৰ নিৰাপত্তাৰ বাবে অহৰহ কাম কৰি আছে আৰু পৰিস্থিতি স্বাভাৱিক হ'লে ক্ষতিগ্ৰস্তসকলক ক্ষতিপূৰণৰ ব্যৱস্থা কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে আজি ৰঙানদী শক্তি প্ৰকল্পৰ নিপকোৰ বিষয়ববীয়াৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰীয়ে জৰুৰীকালীন পৰিস্থিতিৰ জোৰা মৰাৰ বাবে আগতীয়া ব্যৱস্থা গ্ৰহণৰ লগতে জিলা প্ৰশাসনৰ সৈতে সঘনে যোগাযোগ ৰাখিবলৈ নিৰ্দেশ দিয়ে।

ডিব্ৰুগড় জিলাৰ বান ক্ষতিগ্ৰস্ত বিভিন্ন অঞ্চল আজি মন্ত্ৰী প্ৰশান্ত ফুকনে পৰিদৰ্শন কৰি ক্ষতিগ্ৰস্তসকলক প্ৰশাসনে আগবঢ়োৱা সাহায্য সম্পৰ্কে বুজ লয়। মন্ত্ৰীগৰাকীয়ে জলসম্পদ বিভাগৰ বিষয়ববীয়াসকলৰ সৈতে আলোচনাত মিলিত হয়। তেওঁ ব্ৰহ্মপুত্ৰত কালি সন্ধানহীন হোৱা কনমানি তনুজ মুৰাৰ পৰিয়ালক সাক্ষাৎ কৰি এন ডি আৰ এফ আৰু আৰক্ষীক শিশুটিৰ উদ্ধাৰ অভিযান তীব্ৰ কৰি তোলাৰ বাবে আহ্বান জনায়। ইপিনে জিলাখনৰ সাম্প্ৰতিক বান পৰিস্থিতি পৰ্যালোচনাৰ বাবে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগে আজি এখন বৈঠকৰ আয়োজন কৰে। এই বৈঠকত এছ ডি আৰ এফ, এন ডি আৰ এফ, অগ্নি নিৰ্বাপক বাহিনী আৰু অন্য জৰুৰীকালীন সেৱা বিভাগৰ দ্বাৰা চলাই থকা উদ্ধাৰ অভিযানৰ বুজ লোৱা হয়। তদুপৰি বান ক্ষতিগ্ৰস্তসকলক সাহায্য সামগ্ৰী প্ৰদান ব্যৱস্থাৰো বুজ লোৱা হয়। এই বৈঠকত জিলা প্ৰশাসনৰ প্ৰতিনিধিয়ে বিভিন্ন বিভাগক সহযোগিতাৰে কাম কৰি জৰুৰীকালীন পৰিস্থিতিৰ জোৰা মৰাৰ বাবে আহ্বান জনায়।

বৰাক উপত্যকাৰ বান পৰিস্থিতি প্ৰায় অপৰিৱৰ্তিত হৈ আছে। বৰাক নৈৰ জলস্তৰ বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন অঞ্চল প্লাবিত হৈছে। কাছাৰ জিলাত এক লাখৰো অধিক লোক এই বানত ক্ষতিগ্ৰস্ত হৈছে। শিলচৰ বেৰেংগা-কাশীপুৰ সম্পূৰ্ণৰূপে বুৰ যোৱাৰ ফলত পথটোৰে যাতায়াত বন্ধ হৈছে। শিলচৰ শ্ৰীভূমি পথৰ পাচগ্ৰাম অঞ্চলত ৰাষ্ট্ৰীয় ঘাইপথেৰে পানী বাগৰাৰ ফলত যাতায়াতৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি হৈছে। জিলাখনৰ পাঁচ হাজাৰৰো অধিক লোকে আশ্ৰয় শিবিৰ আশ্ৰয় লৈ আছে। শিলচৰ ষ্টেচনৰ পিট লাইনত পানী জমা হোৱাৰ বাবে আজি নিশা ১০ বাজি ৪০ মিনিটত যাত্ৰা কৰিবলগীয়া শিলচৰ-ৰঙিয়া এক্সপ্ৰেছ ৰে'লখনৰ যাত্ৰা বাতিল কৰা হৈছে। তদুপৰি শিলচৰ-নাহৰলগুন ৰে'লখনৰ যাত্ৰাও বাতিল কৰা হৈছে। একেদৰে শিলচৰ-নতুন দিল্লীৰ মাজত চলাচল কৰা চম্পকক্ৰান্তি এক্সপ্ৰেছ ৰে'লখনে আজি সন্ধিয়া চাৰে সাত বজাৰ পৰিৱৰ্তে কাইলৈ পুৱা ৮ বজাত যাত্ৰা কৰিব। কাইলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা শিলচৰলৈ আহি পৰিস্থিতি পৰিদৰ্শন কৰাৰ কথা। অৱশ্যে শিলচৰ চহৰৰ পৰিস্থিতি কিছু উন্নত হোৱাৰ ফলত জনজীৱন প্ৰায় স্বাভাৱিক হৈ উঠিছে।

শ্ৰীভূমি জিলাৰ কুচিয়াৰা নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ বাবে জিলাখনৰ বিভিন্ন অঞ্চল প্লাবিত হৈছে। মন্ত্ৰী কৃষ্ণেন্দু পালে আজি জিলাখনৰ ঔৰংগাবাদ নিম্ন প্ৰাথমিক বিদ্যালয়ত সাহায্য শিবিৰ পৰিদৰ্শন কৰি ক্ষতিগ্ৰস্তসকলৰ অৱস্থাৰ বুজ লয়।

গোলাঘাট জিলাৰ দেৰগাঁৱত শগুনপাৰা মথাউৰি ছিগি যোৱাৰ ফলত কুৰি খনৰো অধিক গাঁৱৰ সৈতে যোগাযোগ বিচ্ছিন্ন হৈ পৰিছে। বোকাখাত সমজিলাৰ বৃহত্তৰ কুৰুৱাবাহীৰ মৰিয়াহোলা, দীঘলীআটি, মিছামৰীয়া বিভিন্ন অঞ্চলত বান ক্ষতিগ্ৰস্ত ৰাইজ সংকটৰ সন্মুখীন হৈছে। জিলাখনত বান পৰিস্থিতি সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা হিৰণ্য গগৈ–

**(বাইট ঃ হিৰণ্য গগৈ)**

যোৰহাটত ব্ৰহ্মপুত্ৰৰ জলস্তৰ বিপদসীমাৰ ওপৰত আছে। অৱশ্যে নিমাতিঘাটকে ধৰি ব্ৰহ্মপুত্ৰৰ কাষৰীয়া অঞ্চলত পৰিস্থিতি নিয়ন্ত্ৰণত আছে। **নগাঁও** জিলাত ব্ৰহ্মপুত্ৰ, কপিলিকে ধৰি কেইবাখনো নৈৰ পানী বিপদসীমাৰ ওপৰত আছে।

বিগত কিছুদিন ধৰি ধাৰাষাৰ বৰষুণৰ ফলত শোণিতপুৰ জিলাৰ ভালেমান অঞ্চল প্লাবিত হৈছে। ইয়াৰ ফলত ব্ৰহ্মপুত্ৰৰ কাষৰীয়া অঞ্চলসমূহৰ জনসাধাৰণ সমস্যাৰ সন্মুখীন হৈছে।

হোজাই জিলাৰ ঠাইচুৰালী অঞ্চলত কপিলি নৈৰ খহনীয়াই জনসাধাৰণৰ জীৱন আৰু সা-সম্পত্তিৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। খান্দং বান্ধৰ সাতখন শ্লুইছ গে'ট খুলি দিয়াৰ ফলত বান আৰু খহনীয়াই জটিল ৰূপ ধাৰণ কৰিছে।

মৰিগাঁও জিলাৰ ধৰমতুল থানাৰ অন্তৰ্গত এক নম্বৰ গোনামাৰাত আজি কলং নৈৰ সোঁতত উটি গৈ প্ৰতাপ মেধি নামৰ এজন লোকৰ মৃত্যু হয়। সোঁতে উটুৱাই নিয়াৰ কিছু সময় পাছত এছ ডি আৰ এফে অভিযান চলাই লোকজনক মৃত অৱস্থাত উদ্ধাৰ কৰে।

ooooo

ব্ৰহ্মপুত্ৰৰ জলস্তৰ বিপদ সীমাৰ ওপৰেৰে বৈ থকাৰ পৰিপ্ৰেক্ষিতত গুৱাহাটী-উত্তৰ গুৱাহাটীৰ মাজৰ ফেৰী সেৱা আজিৰে পৰা অনিৰ্দিষ্ট কাললৈ বন্ধ কৰা হৈছে। আভ্যন্তৰীণ জন পৰিবহণ বিভাগে এটা নিৰ্দেশ যোগে এই কথা প্ৰকাশ কৰিছে। যাত্ৰীসকলৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্ত লোৱা হৈছে। পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত এই সেৱা বন্ধ থাকিব। কামৰূপ জিলা প্ৰশাসনে এই সময়ছোৱাত অসম ৰাজ্যিক পৰিবহন নিগমৰ বাছ উত্তৰ গুৱাহাটীলৈ চলাচল কৰা হ'ব বুলি প্ৰকাশ কৰিছে।

ooooo

অসম আৰু মেঘালয়ৰ মাজৰ সীমা বিবাদ নিষ্পত্তিৰ বাবে আজি বিয়লি কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ মাজত আলোচনা অনুষ্ঠিত হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই বৈঠকৰ বিষয়ে শুকুৰবাৰে প্ৰকাশ কৰা অনুসৰি উচ্চতম ন্যায়ালয়ে নিয়োগ কৰা কেন্দ্ৰীয় উচ্চ ক্ষমতাসম্পন্ন সমিতিয়ে দুয়োখন ৰাজ্যৰ পাহাৰ খনন সম্পৰ্কত দুয়োখন ৰাজ্য চৰকাৰকে দিয়া জাননী সম্পৰ্কতো আজিৰ বৈঠকত আলোচনা অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰী পৰ্যায়ত ২০২২ চনৰ ২৭ মাৰ্চত অনুষ্ঠিত বৈঠকত ৰাজ্য দুখনৰ মাজৰ বিবদমান ছটা বিষয় সন্দৰ্ভত আলোচনা কৰিবলৈ মুখ্যমন্ত্ৰীদ্বয় সন্মত হৈছিল। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত ২০২৩ চনৰ ২৪ মে'ত দুয়ো ৰাজ্যৰ মুখ্যমন্ত্ৰীদ্বয় পুনৰ বৈঠকত মিলিত হৈছিল আৰু অসম আৰু মেঘালয়ৰ মাজৰ ৮৮৪ দশমিক ৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ সীমান্তৰ বাকী থকা সমস্যাসমূহ সমাধানৰ বাবে আলোচনা চলাই যাবলৈ দুয়োগৰাকী মুখ্যমন্ত্ৰী সন্মত হৈছিল। অসমৰ ৰাণী ৰাজহ চক্ৰৰ অন্তৰ্গত লাম্পী খণ্ডত দুয়ো ৰাজ্যৰ মাজৰ দীৰ্ঘদিনীয়া সীমা বিবাদ সম্পৰ্কতো আজিৰ বৈঠকত আলোচনা হোৱাৰ সম্ভাৱনা আছে।

ooooo

শক্তিপীঠ কামাখ্যা ধামত অহা ২২ জুনৰ পৰা অম্বুবাচী মহা যোগ অনুষ্ঠিত হ'ব। ২২ জুনৰ বিয়লি দুই বাজি ৫৬ মিনিচত অম্বুবাচীৰ প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰৰ দুৱাৰ বন্ধ হ'ব। ২৬ জুনত নিবৃত্তিৰ লগে লগে মন্দিৰ পৰিষ্কাৰ কৰি দেৱীৰ পূজা-অৰ্চনাৰ পাছত ভক্তৰ বাবে মন্দিৰৰ দুৱাৰ মুকলি কৰা হ'ব। আজি গুৱাহাটীৰ পল্টন বজাৰৰ পৰ্যটন সঞ্চালকালয়ৰ কাৰ্যালয়ত পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ অধ্যক্ষতাত ২৪ টা বিভাগৰ সৈতে অম্বুবাচী মহাযোগ সন্দৰ্ভত এখন প্ৰস্তুতি বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত পৰ্যটন বিভাগে কামৰূপ মহানগৰ জিলা প্ৰশাসনলৈ অম্বুবাচীৰ বাবে চাৰি কোটি ৫৫ লাখ টকা আগবঢ়োৱাৰ কথা ঘোষণা কৰে।

ooooo

অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নৱনিযুক্ত সভাপতি গৌৰৱ গগৈয়ে কাইলৈ আনুষ্ঠানিকভাৱে কাৰ্যভাৰ গ্ৰহণ কৰিব। কাইলৈ গুৱাহাটীৰ ৰাজীৱ ভৱনত আয়োজিত এটা অনুষ্ঠানত গগৈয়ে বিদায়ী সভাপতি ভূপেন

বৰাৰ পৰা আনুষ্ঠানিকভাৱে দায়িত্ব গ্ৰহণ কৰিব। ইয়াৰ আগতে আজি গৌৰৱ গগৈয়ে কলিয়াবৰৰ পৰা বটদ্ৰবালৈ আহে আৰু বটদ্ৰবা থানত সেৱা জনায়। ইয়াৰ পাছত তেওঁ মৰিগাঁৱলৈ আহে। মৰিগাঁৱত তেওঁ প্ৰাক্তন বিধায়িকা জোন জোনালী বৰুৱাৰ বাসগৃহলৈ গৈ প্ৰয়াত নেত্ৰীগৰাকীৰ পৰিয়ালৰ লোকৰ সৈতে মত বিনিময় কৰে। মৰিগাঁৱত তেওঁক ভালেসংখ্যক কংগ্ৰেছ কৰ্মীয়ে শোভাযাত্ৰা কৰি আগুৱাই আনে বুলি আমাৰ মৰিগাঁৱৰ সংবাদদাতাই জনাইছে।

০০০০০

বজালী জিলাত আজিৰে পৰা মাদক দ্ৰব্য সেৱন আৰু অবৈধ সৰবৰাহৰ বিৰুদ্ধে মাহজোৰা সজাগতা কাৰ্যসূচী অনুষ্ঠিত হৈছে। বজালীৰ মহিলা আৰু শিশু উন্নয়ন বিভাগৰ উদ্যোগত আৰু শিক্ষা বিভাগৰ সহযোগত আয়োজন কৰা এই সজাগতা কাৰ্যসূচীৰ অংশ হিচাপে আজি পাটাছাৰকুছি উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পোষ্টাৰ অংকন আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। ডেৰশৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই কাৰ্যসূচীত সমল ব্যক্তিসকলে মাদক দ্ৰব্যৰ কুপ্ৰভাৱ আৰু এনে দ্ৰব্য সেৱনৰ পৰা আঁতৰত থাকিব পৰা উপায় সন্দৰ্ভত ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে।

০০০০০

শিৱসাগৰ আৰক্ষীয়ে আজি নগৰখনৰ সমীপৰ ভটিয়াপাৰত মাদক দ্ৰব্য জব্দ কৰাৰ লগতে দুজন যুৱকক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে যোৰহাটৰ পৰা শিৱসাগৰ অভিমুখী এখন বাহনত তালাচী চলাই মাদক দ্ৰব্যখিনি জব্দ কৰে। ধৃত যুৱক দুজনে চাবোনৰ বাকচত মাদক দ্ৰব্যখিনি লুকুৱাই আনিছিল বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

০০০০০

**আন্তঃৰাষ্ট্ৰীয় প্ৰতিভা সন্ধানকাৰী মঞ্চ ব্ৰিটেইনছ গট টেলেণ্টত তৃতীয় স্থান দখল কৰি ৰাজ্য তথা দেশলৈ সুনাম কঢ়িয়াই অনা কাৰ্বি আংলং জিলাৰ বোকাজানৰ বিনীতা চেত্ৰীক আজি বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত অৱতৰণ কৰাৰ পাছত গুণমুগ্ধসকলে আদৰণি জনায়। এই সন্মান লাভ কৰি অতিশয় আনন্দিত বুলি সাংবাদিকৰ আগত বিনীতাই প্ৰকাশ কৰে। ইয়াৰ পাছতে তেওঁ শক্তিপীঠ কামাখ্যা ধামত উপস্থিত হৈ পূজা-অৰ্চনা আগবঢ়ায়। অসম জীয়ৰীগৰাকীৰ এই সাফল্যত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডৰ পৰা অপূৰ্ব নৃত্য শৈলীৰে বিচাৰক আৰু দৰ্শকক মুগ্ধ কৰা শিল্পী গৰাকীয়ে চূড়ান্ত পৰ্যায়লৈ দৰ্শকৰ মন জয় কৰিবলৈ সমৰ্থ হল বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ড০ শৰ্মাই বিনীতা চেত্ৰীক আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে।**

০০০০০

দেশত ৩ হাজাৰ ৯৬০ গৰাকী সক্ৰিয় ক'ভিড ৰোগী চিনাক্ত কৰা হৈছে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি কেৰালাত সৰ্বাধিক এহেজাৰ ৪৩৫ গৰাকী লোক ক'ভিডত আক্ৰান্ত হৈছে। একেদৰে মহাৰাষ্ট্ৰত ৫০৬ আৰু দিল্লীত ৪৮৩ গৰাকী লোকৰ দেহত এই ৰোগ ধৰা পৰিছে। দিল্লীৰ ডা০ ৰামমনোহৰ লোহীয়া চিকিৎসালয়ৰ ক'ভিড ইউনিটৰ ভাৰপ্ৰাপ্ত চিকিৎসক ডা০ পৱন কুমাৰে আকাশবাণীৰ বাতৰি বিভাগৰ সৈতে হোৱা এটা আছুতীয়া সাক্ষাতকাৰত ক'ভিডৰ এই নতুন প্ৰজাতিক লৈ উদ্বিগ্ন হোৱাৰ

প্ৰয়োজন নাই বুলি জনসাধাৰণক আশ্বাস দিয়ে। তেওঁ কয়, যে চিকিৎসালয়খনত ভৰ্তি হোৱা ক'ভিডত আক্ৰান্ত চাৰিগৰাকী ৰোগী ইতিমধ্যে সুস্থ হৈ উঠিছে।

০০০০০

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানে আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে কৃষকৰ বাবে পুলি বাগান স্থাপন, গছপুলি ৰোপণ আৰু বনানিকৰণৰ বিষয়ত প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰিছে। এই প্ৰশিক্ষণ কাৰ্যসূচীত বিভিন্ন জিলাৰ ভালেসংখ্যক কৃষক আৰু উদ্যমী ব্যক্তিয়ে অংশগ্ৰহণ কৰিছে। অসম কৃষি বনানিকৰণ উন্নয়নৰ পৰিষদৰ অৰ্থসাহায্যত আয়োজন কৰা এই প্ৰশিক্ষণ আজি বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ সঞ্চালক ড০ নীতিন কুলকাৰ্ণীয়ে উদ্বোধন কৰে। কাৰ্যসূচীত গুণগত বীজ ৰোপণ, বিজ্ঞানসন্মতভাৱে পুলি বাগানৰ পৰিচালনা, বাঁহৰ সংবৰ্ধন পদ্ধতি, কৃত্ৰিমভাৱে সাচি গছত আগৰ প্ৰস্তুত আদি বিভিন্ন বিষয়ত প্ৰশিক্ষণ প্ৰদান কৰা হয়।

০০০০০

আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত কাইলৈ আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত পাঞ্জাব কিংছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। চণ্ডীগড়ত অনুষ্ঠিত প্ৰথমখন কোৱালিফায়াৰত ৰজত পাটিদাৰ নেতৃত্বাধীন ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ৮ উইকেটত পৰাস্ত কৰা পাঞ্জাব কিংছৰ বিৰুদ্ধে ফাইনেল খেলতো একে উৎসাহেৰে অৱতীৰ্ণ হ'ব। অৱশ্যে দ্বিতীয়খন কোৱালিফায়াৰত মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে সফলতা অৰ্জন কৰা শ্ৰেয়াছ আয়াৰৰ নেতৃত্বাধীন পাঞ্জাব কিংছেও এইবাৰ আই পি এলৰ খিতাপ অৰ্জন কৰাৰ বাবে নিজৰ শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰিবলৈ চেষ্টা কৰিব। উল্লেখযোগ্য যে দীৰ্ঘদিনীয়া প্ৰতিক্ষাৰ অন্তত দুয়োটা দলে এই প্ৰতিযোগিতাৰ ফাইনেলত অৱতীৰ্ণ হোৱাৰ সুযোগ লাভ কৰিছে।

০০০০০

সমাপ্ত